জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

১৮৬ সংখ্যা, ২৯ মাঘ, বৃহস্পতিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 186। DIBRUGARH, THURSDAY, FEBRUARY 12, 2026। পৃষ্ঠা ১৬ (Pages 16) ৯.০০ ট

## মহাবিদ্যালয়ৰ চৌহদৰ পৰিৱৰ্তন দেখি আৱেগিক পৰিয়ালবৰ্গ

# তিনি দশকৰ পাছত কানৈ কলেজত প্ৰতিষ্ঠাপকৰ আজোনাতি

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১১ ফেব্ৰুৱাৰী ঃ** ৮০ বছৰ গৰকা ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ চৌহদত আকাশ-বতাহত এক অনন্য, বিৰল আৱেগিক পৰিৱেশ সৃষ্টি হয়। সুদীৰ্ঘ ৩০ বছৰ পাছত মহাবিদ্যালয়খনত অন্যতম প্ৰতিষ্ঠাতা, দাতা, দানবীৰ হনুমানবক্স কানৈৰ দুজন আজোনাতিসহ আজোনাতিৰ দুগৰাকী বোৱাৰী ককাকৰ সপোনৰ শিক্ষানুষ্ঠানখন চাবলৈ আহি হঠাৎ উপস্থিত হয়। আজোনাতি ডাঃ প্ৰমোদ কানৈ, বিশিষ্ট উদ্যোগপতি বিনোদ কানৈৰ লগতে তেওঁলোক দুয়োজনৰ পৰিবাৰ মহাবিদ্যালয়খনলৈ আহি অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াক সাক্ষাৎ কৰি মহবিদ্যালয়খনৰ উত্তৰণৰ বুজ লয়। মহাবিদ্যালয়খনৰ চৌহদৰ প্ৰকৃতি, আন্তঃগাঁথনি, প্ৰশাসনিক সংস্কাৰ, প্ৰযুক্তিৰ উত্তৰণ দেখি প্ৰতিষ্ঠাপকৰ আজোনাতিসকল একপ্ৰকাৰ আৱেগিক হৈ পৰে আৰু ককাকৰ ঐতিহ্যক সজীৱ কৰি ৰখাৰ বাবে অধ্যক্ষগৰাকীক কৃতজ্ঞতা জ্ঞাপন কৰে। অধ্যক্ষ, অধ্যাপকৰ সৈতে হোৱা বাৰ্তালাপত দুয়োগৰাকী আজোনাতিয়ে পুৰণি দিনৰ স্মৃতি ৰোমন্থন কৰে আৰু মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠালগ্নৰ কথা অৱগত কৰে। পুৰণি দিনৰ স্মৃতি ৰোমন্থন কৰি দুয়োগৰাকীৰে চকু সেমেকি উঠে আৰু কয়— ৩০ বছৰ আগৰ সেই কানৈ কলেজ আৰু বৰ্তমানৰ কানৈ কলেজৰ মাজত আকাশ-পাতাল পাৰ্থক্য দেখা পাইছে। তেওঁলোকৰ আজোককাকে যি সপোন দেখি এই অনুষ্ঠান গঢ়িছিল আজি সেই সপোনৰ বাস্তৱ ৰূপ দেখি গৌৰৱান্বিত বুলি উল্লেখ কৰাই নহয়, অধ্যক্ষ ডঃ শইকীয়াৰ কৰ্মতৎপৰতাই অভিভূত কৰিছে বুলি কয়। মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা একোখনকৈ ফুলাম গামোচাৰে উষ্ম আদৰণি জনোৱা সভাখনত তেওঁলোকে মহাবিদ্যালয়খনক এটা মন্দিৰ আৰু অধ্যক্ষগৰাকীক সেই মন্দিৰৰ পূজাৰী বুলি তুলনা কৰি কয়— মহাবিদ্যালয়খনৰ উত্তৰণ চকুত লগাকৈ দেখা পোৱা গৈছে, সেয়ে তেওঁলোক যথেষ্ট সুখী। প্ৰতিষ্ঠাপকৰ আজোনাতি ডাঃ প্ৰমোদ কানৈ আৰু বিনোদ কানৈৰ লগতে তেওঁলোকৰ স'তে অহা পৰিয়ালৰ সদস্যসকলৰ আগত অধ্যক্ষ ডঃ শইকীয়াই কয়— কানৈ মহাবিদ্যালয়ৰ দ্ৰষ্টা আৰু স্ৰষ্টা, পদ্মশ্ৰী, ৰায়চাহাব দানবীৰ হনুমানবক্স কানৈৰ পৰিয়ালৰ সদস্যৰ আগমন মহাবিদ্যালয় পৰিয়ালৰ বাবে আশীৰ্বাদস্বৰূপ। তেওঁলোকৰ উপৰিপুৰুষৰ দানৰ বাবেই আজিৰ পৰা প্ৰায় ৮০ বছৰ আগতে মহাবিদ্যালয়খনৰ সুন্দৰ, ব্যতিক্ৰমী, চকুত লগা ভৱনটো নিৰ্মাণ কৰা হৈছিল আৰু তদানীন্তন উপ-ৰাষ্ট্ৰপতি সৰ্বপল্লী ৰাধাকৃষ্ণনে সেই ভৱনটো মুকলি কৰিছিল। আজিৰ এই অনুষ্ঠানে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়ি তুলিছে বুলিও উল্লেখ কৰি প্ৰতিষ্ঠাপক পৰিয়ালৰ সদস্যকেইজনক শুভেচ্ছা জনায় আৰু ধন্যবাদ জ্ঞাপন কৰে। প্ৰতিষ্ঠাপকৰ আজোনাতিকেইজনে মহাবিদ্যালয়খনৰ অধ্যক্ষৰ স'তে কিছুসময় বাৰ্তালাপ কৰাৰ পাছত মহাবিদ্যালয় চৌহদ ভ্ৰমণ কৰে আৰু আন্তঃগাঁথনিসমূহ পৰিদৰ্শন কৰে। উল্লেখ্য যে এই ভ্ৰমণ কালছোৱাত পৰিয়ালটোৰ সদস্যসকলে মহাবিদ্যালয়খনৰ উত্তৰণৰ বাবে ভবিষ্যতে প্ৰয়োজনীয় সহায়-সহযোগ আগবঢ়াব বুলি অৱগত কৰে। মন কৰিবলগীয়া যে কানৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপকৰ পৰিয়ালৰ স'তে কেইবাদশক ধৰি কোনো সংযোগ নাছিল যদিও ২০১৫ চনত ডঃ শশীকান্ত শইকীয়াই কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰাৰ পাছত পৰিয়ালৰ অন্যান্যসকলক সন্ধান কৰি তাৰে কেইজনমান সদস্যক কলকাতাৰ নিৱাসী বুলি জানিব পাৰিছিল।

